# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 15-12-2025 **Time :** 1100 Hrs.

0000000000

যোৱানিশা দেহাৰসান ঘটা অসমৰ সংবাদ জগতৰ মহীৰুহ, দি আছাম ট্ৰিবিউন কাকতৰ সম্পাদক, আছাম ট্ৰিবিউন প্ৰতিষ্ঠানৰ অধ্যক্ষ তথা বিশিষ্ট সাংবাদিক প্ৰফুল্ল গোবিন্দ বৰুৱাৰ নশ্বৰ দেহ বৰ্তমান তেওঁৰ কৰ্মস্থল দি আছাম ট্ৰিবিউন চৌহদত ৰখা হৈছে। ইয়াতেই গুণমুগ্ধসকলে তেওঁলৈ শেষ শ্ৰদ্ধা তৰ্পণ কৰিব পাৰিব। আজি দিনৰ ভাগত নৱগ্ৰহ শ্মশানত তেওঁৰ শেষকৃত্য সম্পন্ন কৰা হ'ব। ইয়াৰ আগতে বৰুৱাৰ নশ্বৰ দেহ হাস্পতালৰ পৰা তেওঁৰ চানমাৰিৰ বাসগৃহলৈ অনা হয়। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে সিংহপুৰুষ ৰাধাগোবিন্দ বৰুৱাৰ সু-পুত্ৰ তথা অসমৰ সংবাদ জগতৰ অন্যতম অগ্ৰণী ব্যক্তি প্ৰফুল্ল গোবিন্দ বৰুৱাৰ যোৱা নিশা গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৯৩ বছৰ। দীৰ্ঘকাল ধৰি দৈনিক অসম কাকতৰ সম্পাদক হিচাপেও দায়িত্ব পালন কৰা প্ৰফুল্ল গোবিন্দ বৰুৱাই ২০১৮ চনত পদ্মশ্ৰী সন্মান লাভ কৰিছিল। উত্তৰ-পূৰ্বাঞ্চলৰ সংবাদ জগতৰ অন্যতম বৰেণ্য ব্যক্তি বৰুৱাই সাংবাদিকতাৰ ক্ষেত্ৰলৈ আগবঢ়োৱা অৱদানৰ বাবে বহু সন্মান লাভ কৰিছিল। সাহিত্য, কলা আৰু সংস্কৃতিলৈ আগবঢ়োৱা অনবদ্য অৱদানৰ বাবে অসম সাহিত্য সভাই তেওঁক সম্বৰ্ধনা জ্ঞাপন কৰিছিল।

ডিব্ৰুগড়ত ১৯৩৩ চনৰ ২৬ জুলাইত জন্মগ্ৰহণ কৰা বৰুৱাই পূৰ্বৰ কটন মহাবিদ্যালয়ত ৰসায়ন বিজ্ঞান বিষয়ত অধ্যয়ন কৰিছিল। পৰৱৰ্তী সময়ত তেওঁ কলকাতাত কলেজীয়া শিক্ষা লাভ কৰি দা ষ্টেট্ছমেন কাকতত সাংবাদিকতাৰ জীৱন আৰম্ভ কৰিছিল আৰু পৰৱৰ্তী সময়ত এই ক্ষেত্ৰখনতে সক্ৰিয়ভাৱে জড়িত হৈ পৰে।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা সমুজ্জ্বল ভট্টাচাৰ্য, অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈকে ধৰি বিভিন্নজনে তেওঁৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে।

০০০০০০০

দৰং জিলাৰ গৰুখুটি বহুমুখী কৃষি প্ৰকল্পৰ সমীপৰ বৌমাৰী পঞ্চায়তৰ চাপৰিত অধিক উৎপাদনক্ষম বীজ ব্যৱহাৰ কৰি ৰঙালাও খেতি কৰা শতাধিক কৃষক এইবাৰ যথেষ্ট লোকচানৰ সন্মুখীন হৈছে। আমাৰ দৰঙৰ সংবাদদাতাই জনোৱা মতে অঞ্চলটোৰ গৰুখুটি কানিয়াতাৰি, ঘাটৰআগ, বৰাচুবা, দেৱানন্দ, সাতখলি আদি গাঁৱৰ ৰাইজে পূৰ্বৰ দৰে এইবাৰো প্ৰায় ১০-১২ হাজাৰ বিঘা মাটিত উন্নত প্ৰজাতিৰ ৰঙালাওৰ বীজ সিঁচিছিল। কিন্তু এইবাৰ কৃষকসকলে পূৰ্বৰ তুলনাত যথেষ্ট কম পৰিমাণৰহে ৰঙালাও উৎপাদন কৰিবলৈ সমৰ্থ হয়। কৃষক ৰাইজে ইতিমধ্যে বিষয়টো স্থানীয় কৃষি বিভাগক অৱগত কৰিছে। কৃষি বিভাগ আৰু কৃষি বিজ্ঞান কেন্দ্ৰৰ বিষয়ববীয়াই শেহতীয়াকৈ অঞ্চলটোৰ ৰঙালাওৰ খেতি পৰিদৰ্শন কৰি বীজ আৰু মাটিৰ নমুনা সংগ্ৰহ কৰি ৰাজ্যিক গৱেষণাগাৰলৈ প্ৰেৰণ কৰিছে। এই সন্দৰ্ভত কৃষি বিভাগৰ বঁটা লাভ কৰা এগৰাকী প্ৰগতিশীল কৃষক গোবিন্দ ডেকাই আমাৰ সংবাদদাতাৰ আগত এইদৰে কয় –

বাইট

০০০০০০০

গোৱালপাৰা জিলাৰ ৰামপুৰৰ বাদুংদুপ্পা কলাকেন্দ্ৰৰ বাকৰিত আজি দিনজোৰা কাৰ্যসূচীৰে ২০২৫ বৰ্ষৰ ‘আন্দাৰ দা শাল ট্ৰী’ নাট সমাৰোহ অনুষ্ঠিত হৈছে। সমাৰোহত আজি পুৱা ১০ বজাত ৰাভা ভাষাৰ নাট ‘ৰঞ্জুমুখ’ মঞ্চস্থ কৰা হৈছে। দিনৰ আঢ়ৈ বজাত ‘এদিন তেওঁ আহিব’ আৰু বিয়লি চাৰে ৫ বজাত ‘দেৰ ইঞ্চ উপৰ’ নাট দুখন মঞ্চস্থ কৰা হ’ব।

প্ৰয়াত নাট্যকৰ্মী শুক্ৰাচাৰ্য ৰাভাই প্ৰতিষ্ঠা কৰা বাদুংদুপ্পা কলাকেন্দ্ৰৰ উদ্যোগত প্ৰতিবছৰে শাল গছৰ তলত সম্পূৰ্ণ প্ৰাকৃতিক পৰিৱেশৰ মাজত কৃত্ৰিম দৃশ্যসজ্জা, বৈদ্যুতিক লাইট, আধুনিক বাদ্যযন্ত্ৰৰ অবিহনে এই নাট সমাৰোহ অনুষ্ঠিত হয়। বিগত ১৬ বছৰ ধৰি ৰামপুৰ গাঁৱৰ সংৰক্ষিত বনাঞ্চলত শ শ শালগছৰ মাজৰ এডোখৰ মাটিক মঞ্চ ৰূপ দি দিনৰ ভাগত নাট মঞ্চস্থ কৰি অহা হৈছে। এই নাট সমাৰোহৰ জৰিয়তে থলুৱা লোকনাট্য সংস্কৃতিক ব্যতিক্ৰমীভাৱে জীয়াই ৰখাৰ প্ৰয়াস কৰা হৈছে।

০০০০০০০

আকাশবাণীৰ সঞ্চালক প্ৰধানৰ নিৰ্দেশমৰ্মে বাতৰি বিভাগে আৰম্ভ কৰা বিশেষ প্ৰাসঙ্গিক অনুষ্ঠানত আজি বিয়লি ৩ বাজি  ৫ মিনিটত ধুবুৰী জিলা ৰূপায়িত বিভিন্ন চৰকাৰী আঁচনি সন্দৰ্ভত ধুবুৰীৰ পৌৰপতি দেৱময় স্যান্যালৰ সৈতে হোৱা এটি সাক্ষাৎকাৰ প্ৰচাৰ কৰা হ’ব। সাক্ষাৎ গ্ৰহণ কৰিব আমাৰ ধুবুৰী জিলাৰ সংবাদদাতা প্ৰদীপ সাহাই। অনুষ্ঠানটি নিশা ৯ বাজি ১৫ মিনিটত পুনৰ প্ৰচাৰ কৰা হ’ব।

০০০০০০০

**সমাপ্ত**